# নগাঁও ক্ৰীড়া সংস্থা

## ।। ২০২৩-২০২৪ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভা ।।

**সময় ঃ দিনৰ ১১ বজা** **তাং- ইং ২০/০৮/২০২৪**

আজি ইং ২০/০৮/২০২৪ তাৰিখ দেওবাৰে পুৱা ১১ বজাত নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত নগাঁও ক্ৰীড়া সংস্থাৰ বাৰ্ষিক সাধাৰণ সভাখন অনুষ্ঠিত হয়। সভাখন পৰিচালনা কৰিবৰ বাবে সাধাৰণ সম্পাদক শ্ৰীতপন কুমাৰ দাসদেৱে সভাপতি শ্ৰীযুত ৰূপক শৰ্মাদেৱক অনুৰোধ জনায় আৰু সভাপতি মহোদয়ে সদনৰ সকলো সদস্যকে ধন্যবাদ জ্ঞাপন কৰি সকলোৰে সহায়-সহযোগিতা কামনাৰে কৰি সভাপতিৰ আসন গ্ৰহণ কৰি সভাৰ কাম আৰম্ভ কৰে।

সভাৰ প্ৰাৰম্ভণিতে নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃতিপ্ৰাপ্ত ক্লাৱসমূহৰ প্ৰতিনিধিসকলৰ সৈতে চিনাকি পৰ্ব কৰা হয়।

ইয়াৰ পিচতেই সভাত সদ্য প্ৰয়াত ব্যক্তিসকল (ইতিমধ্যে লিপিবদ্ধ)ৰ লগতে প্ৰয়াত জ্ঞাত-অজ্ঞাত সকলোকে স্মৰণ কৰি তেওঁলোকৰ আত্মাৰ চিৰশান্তিৰ বাবে শোক প্ৰস্তাৱ গ্ৰহণ কৰি এক মিনিট মৌণ প্ৰাৰ্থনা কৰা হয়।

৪ নং কাৰ্য্যসূচী মতে, সাধাৰণ সম্পাদক শ্ৰীতপন কুমাৰ দাসদেৱে ২০২২-২০২৩ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাৰ কাৰ্য্যবিৱৰণী সদনত পাঠ কৰি শুনায়। পিচত উক্ত প্ৰতিবেদনৰ ওপৰত আলোকপাত কৰি ষ্টাৰ স্প'ৰ্টিং ক্লাৱৰ প্ৰতিনিধি শ্ৰীআলোক গোস্বামীদেৱে টেবুল টেনিছৰ ওপৰত আলোচনা কৰি কয় যে, টেবুল টেনিছৰ মানদণ্ড হ্ৰাস পাইছে। ইয়াৰ উন্নতি সাধন কৰিব লাগে।

ত্ৰিনয়ন গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীনৰ কুমাৰ মহন্তদেৱে নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক শ্ৰীতপন কুমাৰ দাস আগন্তুক পেৰিচ অলিম্পিকত ভাৰতীয় হকী দলৰ এগৰাকী প্ৰতিনিধি হিচাপে প্ৰতিনিধিত্ব কৰাৰ সুযোগ পোৱাৰ বাবে তেখেতক শুভেচ্ছা জ্ঞাপন কৰে আৰু উক্ত বিষয়টো প্ৰতিবেদনত উল্লেখ থাকিব লাগে বুলি মতপোষন কৰে।

পিচত ষ্টাৰ স্প'ৰ্টিং ক্লাৱৰ প্ৰতিনিধি শ্ৰীআলোক গোস্বামীদেৱে কয় যে, আন্তঃক্লাৱ এথলেটিক্‌ছ প্ৰতিযোগিতাত কেৱল ১৩ টা ক্লাৱে অংশগ্ৰহণ কৰিছিল। ফুটবল আৰু ক্ৰিকেট শাখাৰ দৰে এথলেটিক্‌ছ শাখাটো গুৰুত্ব দিব লাগে। এথলেটিক্‌ছৰ বাবে এজন ভাল প্ৰশিক্ষক ল'ব লাগে লাগে। প্ৰত্যুত্তৰত সভাপতি মহোদয়ে কয় যে, প্ৰতিটো ক্লাৱে চাৰিটাকৈ ইভেন্টত অংশগ্ৰহণ কৰিব লাগে। ইতিমধ্যে এজন এন. আই. এছ. প্ৰশিক্ষক এথলেটিক্‌ছৰ প্ৰশিক্ষণ প্ৰদান কৰি আছে আৰু তেওঁক নগাঁও ক্ৰীড়া সংস্থাৰ পৰা সম্পূৰ্ণ সুবিধা প্ৰদান কৰা হৈছে।

ভিবজিঅ'ৰ ক্লাৱৰ প্ৰতিনিধি অহিদুজ জামানদেৱে কয় যে, এথলেটিক্‌ছৰ খেলুৱৈসকলক NIDZAM ত কিয় পঠিওৱা নহ'ল। প্ৰত্যুত্তৰত সাধাৰণ সম্পাদক মহোদয়ে কয় যে, আমি জ্ঞাত হোৱাত অলপ পলম হৈছিল যদিও শেহতীয়াকৈ পঠিওৱাৰ ব্যৱস্থা কৰা হৈছিল কিন্তু অভিভাৱকসকলে অনুমতি প্ৰদান নকৰাৰ ফলত দলটো পঠিওৱ নহ'ল।

ৰেডিয়েল ক্লাৱৰ প্ৰতিনিধি শ্ৰীজাকিৰ হুছেইনদেৱে যোৱা প্ৰথম ডিভিজন ফুটবল লীগৰ Protest অৰ ওপৰত কি সিদ্ধান্ত লোৱা হ'ল জানিব বিচাৰে। প্ৰত্যুত্তৰত সাধাৰণ সম্পাদক মহোদয়ে কয় যে, প্ৰথম ডিভিজনৰ এটা ক্লাৱে আন এটা ক্লাৱৰ ওপৰত Protest কৰিছিল। সেই Protest প্ৰথম লীগ চাব-কমিটিয়ে সিদ্ধান্ত লৈ কাৰ্যনিৰ্বাহক সমিতিলৈ প্ৰেৰণ কৰা হৈছিল। আৰু সকলোবোৰ চোৱা-চিতা কৰাৰ পিচত কাৰ্য্যনিৰ্বাহকৰ সভাত সিদ্ধান্ত লোৱা হৈছিল।

সভাপতি মহোদয়ে কয় যে, এতিয়াৰ পৰা যি দুটা ক্লাৱৰ মাজত Protest কৰা হব, তেওঁলোকৰ কোনো সদস্য আলোচনা অথবা সিদ্ধান্তৰ সময়ত উপস্থিত থাকিব নোৱাৰিব।

শাইনছ' প্লেয়াৰ্ছৰ প্ৰতিনিধি শ্ৰীচাজিব খানদেৱে কয় যে, বাস্কেটবলৰ গ্ৰাউণ্ডখন বহুত বেয়া হৈছে। অভিভাৱকসকলে আপত্তি দৰ্শাইছে। গ্ৰাউণ্ডখন মেৰামতি কৰি ঠিক কৰি দিবলৈ অনুৰোধ কৰিছো আৰু এজন নিয়মিত প্ৰশিক্ষক প্ৰয়োজন হৈছে বুলি সভাত অৱগত কৰে। প্ৰত্যুত্তৰত সভাপতি মহোদয়ে কয় যে, আমি ইতিমধ্যে Director of Sports Office ৰ শ্ৰীৰঞ্জিত বৰা নামৰ এজন প্ৰশিক্ষক অনাৰ ব্যৱস্থা কৰিছো আৰু আন্তঃজিলা প্ৰতিযোগিতাৰ বাবে গ্ৰাউণ্ডৰ মেৰামতি ইতিমধ্যে হৈছে।

ক্ৰমশঃ২

ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিনিধি শ্ৰীআলোক গোস্বামীদেৱে জানিব বিচাৰে যে, ৫৭ লাখ টকা দোকানীসকলৰ নামত থকা দেখুওৱা হৈছে। আচলতে সেই টকাখিনি হিচাৱত আহিবনে নাই। ২০২৩-২০২৪ বৰ্ষৰ বাৰ্ষিক আয়-ব্যয়ৰ হিচাব সদনত দাখিল কৰাৰ পিচত উক্ত হিচাব-নিকাচৰ ওপৰত কোষাধ্যক্ষ শ্ৰীঅসীম কুমাৰ ভাৱালদেৱে কয় যে, উক্ত টকাখিনি পৰম্পৰাগতভাৱে পূৰ্বৰ পৰাই দেখুওৱা হৈ আছে। আচলতে টকাখিনি হিচাৱত বৰ্তমানে নাই। তেতিয়া গোস্বামীদেৱে কয় যে, উক্ত টকাখিনি ৰাইট-আপ কৰি দিলে ভাল হ'ব।

শাইনছ' প্লেয়াৰ্ছৰ প্ৰতিনিধি শ্ৰীবিদেশব্ৰত দত্তদেৱে কয় যে, সংস্থাৰ ক্ৰিকেট বৰ্ষ আৰম্ভ কৰাৰ সময়ত খৰখেদাকৈ ক্ৰিকেট Pitch ৰ কাম অতি কম সময়ৰ ভিতৰত তৈয়াৰ কৰা হয় কাৰণে অতি সোনকালে বেয়া হৈ যায়। তাৰ প্ৰতি লক্ষ্য ৰাখিলে ভাল হয় বুলি তেওঁ সদনত ব্যক্ত কৰে।

প্ৰত্যুত্তৰত সভাপতি মহোদয়ে কয় যে, আমি ইতিমধ্যে সংস্থাৰ খেলপথাৰ সম্পাদক শ্ৰী দেৱজিত দাস আৰু কাৰ্যকৰী সদস্য শ্ৰীদেৱজ্যোতি গোস্বামীকদেৱক ক্ৰিকেট Pitch সমূহ ভালকৈ তৈয়াৰ কৰিবৰ কাৰণে দায়িত্ব অৰ্পন কৰা হৈছে। লগতে ক্ৰিকেটৰ নামত যি পইচা আহে, সেই পইচা খৰচ কৰাৰ পিচত যিখিনি ৰাহি হৈছে সেইখিনিৰে আমি কোঠালীবোৰত AC লগোৱাৰ ব্যৱস্থা কৰিছো।

সভাপতি মহোদয়ে কয় যে, নগাঁও ক্ৰীড়া সংস্থাৰ তৰফৰ পৰা সকলো শাখাতে ৩০ শতাংশ খৰচ বহন কৰা হ'ব। ইনড'ৰ ষ্টেডিয়াম মেৰামতি কৰি থকা হৈছে। সংশ্লিষ্ট কৰ্তৃপক্ষই আমাক ৩০ বিঘা মাটি দিছে নতুন ষ্টেডিয়াম তৈয়াৰ কৰিবলৈ আৰু ডচন হাইৱাৰ চেকেণ্ডাৰী স্কুল আৰু বঙালী হাইৱাৰ চেকেণ্ডাৰী স্কুলৰ খেলপথাৰত ইনড'ৰ ষ্টেডিয়াম তৈয়াৰ কৰা কথা চিন্তা কৰি বিধায়ক পুঁজিৰে কৰা হ'ব। ডচন ফিল্ডত গেলেৰী তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিম। ফুটবল আৰু হকীৰ বাবে সুকীয়া ফিল্ডৰ কাৰণে মাটি বিচাৰি থকা হৈছে। চ্যুইমিং পুলটো পূৰ্বৰ ২৫ মি. ৰ পৰা ৫০ মি. কৰি আন্তঃৰাজ্যিক পৰ্য্যায়ৰ প্ৰতিযোগিতাৰ বাবে তৈয়াৰ কৰি থকা হৈছে; চ্যুইমিং পুলটো অতি সোনকালে তৈয়াৰ হৈ উঠিব। লগতে সভাপতি মহোদয়ে কয় যে, নগাঁও ক্ৰীড়া সংস্থাৰ স্প'ৰ্টছ কমপ্লেক্সটো পুনৰ নিৰ্মাণৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় সংস্থালৈ আহি এটি মাষ্টাৰ প্লেন তৈয়াৰ কৰি দিছে বুলি সদনত জানিবলৈ দিয়ে। গতিকে আমি অতি শীঘ্ৰে তৈয়াৰ কৰি মুখ্যমন্ত্ৰী মহোদয়লৈ প্ৰেৰণ কৰিম।

নগাঁও ক্ৰীড়া সংস্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ দ্বাৰা অনুমোদিত উপ-ক্ৰীড়া সংস্থাক পঞ্জীয়ণৰ বাবে আজিৰ সভাই অনুমোদন প্ৰদান কৰে।

১০ নং কাৰ্য্যসূচীমতে, নগাঁও ক্ৰীড়া সংস্থাৰ আগন্তুক বৰ্ষৰ বাবে Chartered Accountant হিচাব-পৰীক্ষক হিচাপে হৰিশ কুমাৰ আগৰৱালা এণ্ড কোম্পানীক সদনে নিযুক্তি প্ৰদান কৰে।

১১ নং কাৰ্য্যসূচী অনুসৰি জে. বি. ক্লাবৰ প্ৰতিনিধি এগৰাকী সদস্যই কয় যে, স্থানীয় খেলুৱৈক সুবিধা প্ৰদান কৰিব লাগে। এথলেটিক্ছৰ বাবে ৪০০ মি. ট্ৰেক তৈয়াৰ কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়।

ত্ৰিনয়ন গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীনৰ কুমাৰ মহন্তদেৱে কয় যে, সভাপতিকলৈ আমি গৌৰৱ অনুভৱ কৰো। আমাৰ আন্তঃগাঁঠনি আছে, সেয়েহে আমি সকলো বিভাগতে খেলুৱৈৰ সৃষ্টি কৰিব লাগে বুলি তেওঁ সদনত উল্লেখ কৰে।

ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ প্ৰতিনিধি শ্ৰীআলোক গোস্বামীদেৱে এখন ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপন কৰিবৰ বাবে সদনত প্ৰস্তাৱ আগবঢ়ায়।

কামপুৰ ষ্টুডেন্ট্ এথলেটিক ক্লাবৰ প্ৰতিনিধি শ্ৰীদিব্যজ্যোতি শৰ্মাদেৱে কয় যে, ফুটবল লীগসমূহত নগাঁৱৰ স্থানীয় তিনিজন খেলুৱৈ থাকিব লাগিব বুলি ব্যৱস্থা কৰিব নোৱাৰি নেকি। লগতে তেওঁ কয় নগাঁৱৰ ফুটবল পৰিচালকসকলক উন্নত মানদণ্ডৰ কৰিবৰ বাবে বাহিৰৰ পৰা এজন অভিজ্ঞ পৰিচালক আনি চেমিনাৰ আৰু অনুশীলনৰ ব্যৱস্থা কৰিব লাগিছিল। তেতিয়া পৰিচালকসকলৰ পৰিচালনা আৰু উন্নত হ'লহেতেন। প্ৰত্যুত্তৰত সভাপতি মহোদয়ে চেষ্টা কৰিম বুলি সদনত অৱগত কৰে। লগতে তেখেতে কয় যে, টেবুল টেনিছ ৰেংকিং অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও অলপ পিছুৱাই দিয়া হৈছে। মাননীয় মন্ত্ৰী শ্ৰীপিযুষ হাজৰিকাদেৱে নগাঁও ক্ৰীড়া সংস্থালৈ ৬ খন টেবুল টেনিছ ব'ৰ্ড দিয়াৰ কথা কৈছে বুলিও সদনত উল্লেখ কৰে।

ক্ৰমশঃ ৩

সাধাৰণ সম্পাদক মহোদয়ে ০৫-০৫-২০২৪ তাৰিখৰ কাৰ্যনিৰ্বাহক সমিতিৰ সভাত লোৱা প্ৰস্তাৱসমূহ পাঠ কৰে।

উপ-সভাপতি শ্ৰীঅভিজিত কুমাৰ নাথদেৱে কয় যে, নগাঁৱৰ সমূহখেলুৱৈক আমি আগুৱাই নিব লাগে।

ফুটবল শাখা সম্পাদক শ্ৰীপ্ৰান্তৰ ভট্টাচাৰ্যদেৱে কয় যে, চতুৰ্থ ডিভিজন ফুটবল লীগত আমি সম্পূৰ্ণ জিলাৰ খেলুৱৈৰে খেলোৱাব বিচাৰিছো।

ৰেডিয়েল ক্লাবৰ প্ৰতিনিধি শ্ৰীজাকিৰ হুছেইনদেৱে কয় যে, যিয়ে ক্লাবৰ দল বনায় তেওঁহে বুজি পায় কিমান কষ্ট হয়। লগতে ক্লাবৰ ওপৰত স্থানীয় খেলুৱৈ লোৱাৰ হেঁচা প্ৰয়োগ কৰিলে ভাল নহ'ব বুলি ভাবো।

যুটীয়া সম্পাদক শ্ৰীউজ্জ্বল বৰুৱাদেৱে কয় যে, সকলো দলতে ৫ গৰাকীকৈ জিলাৰ বাহিৰৰ খেলুৱৈ লব লাগে।

উপ-সভাপতি শ্ৰীপ্ৰশান্ত কুমাৰ বৰাদেৱে কয় যে, ক্লাৱক জোৰ কৰি খেলুৱৈ দিয়াটো উচিত নহয়, নগাঁও ক্ৰীড়া সংস্থাইহে খেলুৱৈ উলিওৱাৰ ব্যৱস্থা কৰিব লাগে।

ক্ৰিকেট শাখা সম্পাদক শ্ৰীমৃণাল কুমাৰ হাজৰিকাদেৱে কয় যে, কিমানজন খেলুৱৈৰ ভিতৰত তিনিজন খেলুৱৈ থাকিব। নগাঁও টাউন ক্লাবৰ প্ৰতিনিধি নাছিৰুদ্দিন আহমেদদেৱে কয় যে, এইটো বছৰৰ পৰা ২০ জনৰ তালিকা জমা দিব লাগিব। গতিকে ২০ জনৰ ভিতৰত হ'ব লাগিব।

আগন্তুক চতুৰ্থ ডিভিজনৰ নতুনকৈ অন্তৰ্ভূক্ত ক্লাৱসমূহক প্ৰথমে কোৱালিফাইঙ ৰাউণ্ড খেলোৱা হ'ব যদিও ৫ টাতকৈ কম ক্লাৱ হয়, তেন্তে এটা ক্লাৱক আৰু ৫ টাতকৈ অধিক ক্লাৱ হয়, তেতিয়া দুটা ক্লাৱক কোৱালিফাইঙ কৰি মূল প্ৰতিযোগিতালৈ নিয়া হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

১২ নং কাৰ্য্যসূচীমতে, ৰেডিয়েল ক্লাবৰ প্ৰতিনিধি শ্ৰীজাকিৰ হুছেইনদেৱে কয় যে, সংস্থাৰ সভাপতি মহোদয়ে স্প'ৰ্টছৰ বিষয়ে বহু কথা জনাৰ বাবে ধন্যবাদ জনাইছো। ভৱিষ্যতে আৰু উন্নতি হওঁক বুলি নগাঁও ক্ৰীড়া সংস্থাক প্ৰশংসা কৰে।

সভাপতি মহোদয়ে কয় যে, ৰাষ্ট্ৰীয় জুনিয়ৰ ফুটবল প্ৰতিযোগিতাখনি ভালকৈ হৈ গ'ল। এইবাৰ স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাত যোৱাবাৰৰ তুলনাত অলপ সৰুকৈ আয়োজন কৰা হ'ব আৰু সকলোৰে সহায়-সহযোগিতা কামনা কৰা হ'ল।

কাৰ্যকৰী সদস্য শ্ৰীনিৰুপম মজুমদাৰদেৱে কয় যে, CRS পদ্ধতিটো সকলোৰে বেলেগ নেকি। প্ৰত্যুত্তৰত ফুটবল শাখা সম্পাদক শ্ৰীপ্ৰান্তৰ ভট্টাচাৰ্যদেৱে কয় যে, সকলোৰে বাবে একেই অনলাইন পদ্ধতিত কৰা হয়। আমাৰ হাতত একো নাথাকে কৰিবলৈ।

১৩ নং কাৰ্যসূচীমতে, আজিৰ সভাত পূৰ্বৰ শাখা সমিতিসমূহ ভংগ কৰা হয় আৰু নতুন শাখা সমিতিসমূহ গঠন কৰিবলৈ কাৰ্য্যনিৰ্বাহক কৰ্তৃত্ব প্ৰদান কৰে।

১৪ নং কাৰ্যসূচীমতে, যুটীয়া সম্পাদক শ্ৰীঅমিতাভ বৰাদেৱে মুখ্য পৃষ্ঠপোষকৰূপে অসমৰ মাননীয় মূখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাদেৱৰ নামটো প্ৰস্তাৱ আগবঢ়ায়। উক্ত প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে সভাত গ্ৰহণ কৰা হয়। পিচত পৃষ্ঠপোষক, মুখ্য-পৰামৰ্শদাতা আৰু পৰামৰ্শদাতা গঠন কৰা দায়িত্ব কাৰ্যনিৰ্বাহকত অৰ্পন কৰে।

১৫ নং কাৰ্যসূচীমতে, প্ৰৱাহ গোষ্ঠীৰ প্ৰতিনিধি শ্ৰীপৰান মহন্তদেৱে জানিব বিচাৰে যে, বৰ্হমপুৰ ক্ৰীড়া সন্থা নগাঁও ক্ৰীড়া সংস্থাৰ অন্তৰ্গত নেকি ? প্ৰত্যুত্তৰত সাধাৰণ সম্পাদক মহোদয়ে কয় যে, বৰ্তমানলৈকে তেওঁলোক আমাৰ পঞ্জীয়ণভূক্ত নহয়। তেওঁলোকে খেলুৱৈৰ সৃষ্টিৰ বাবে কাম কৰি আছে বুলি আমি জানিব পাৰিছো। যেতিয়া জিলা পৰ্য্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সময় আহিব, তেতিয়া তেওঁলোকৰ খেলুৱৈসকলে আমাৰ জিলাৰ হৈ খেলিব পাৰিব। যিহেতুকে বৰ্হমপুৰৰ ভৌগোলিক এলেকা আমাৰ নগাঁও ক্ৰীড়া সংস্থাৰ অন্তৰ্গত।

নগাঁও টাউন ক্লাবৰ প্ৰতিনিধি শ্ৰীনাছিৰুদ্দিন আহমেদদেৱে কয় যে, নগাঁৱৰ গৌৰৱ হিমা দাসৰ কাৰণে কিবা চিন্তা কৰিব পাৰি নেকি ?

ক্ৰমশঃ ৪

ষ্টাৰ স্প’ৰ্টিং ক্লাবৰ প্ৰতিনিধি শ্ৰীআলোক গোস্বামীদেৱেও উপৰোক্ত বক্তাক সমৰ্থন কৰি কয় যে, নগাঁৱৰ গৌৰৱ হিচাপে অৰ্জুন হিমা দাসক কিবা এটা চিন্তা সোনকালে কৰা উচিত।

যুথ ক্লাবৰ প্ৰতিনিধি শ্ৰীশ্যামন্ত দাসদেৱে কয় যে, খেলুৱৈসকলৰ যদি কিবা দূৰ্ঘটনা হয়, তেতিয়া তেওঁলোকক সহায় কৰিব পৰাৰ ব্যৱস্থা ললে ভাল হয় বুলি সভাত ব্যক্ত কৰে।

সভাপতি মহোদয়ে কয় যে, হিমা দাসৰ নামত কিবা এটা কৰিবলৈ চিন্তা কৰি আছো, অলপ সময় লাগিব। শেষত সভাপতি মহোদয়ে আজিৰ সভাত সকলো উপস্থিত থাকি সভাখন সাফল্যমণ্ডিত কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰি আজিৰ সভাখন ইমানতে ভংগ হ’ল বুলি ঘোষণা কৰে।

**(ৰূপক শৰ্মা)**
সভাপতি,
নগাঁও ক্ৰীড়া সংস্থা
নগাঁও, অসম